# 2022

# ASSAMESE

## ( MIL Communication )

Paper : ASM–AE–1014

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) "যোগাযোগ প্ৰক্ৰিয়াত শাৰীৰিক ভংগীয়ে সদৰ্থক প্ৰভাৱ পেলায়।" মন্তব্যটো শুদ্ধ নে অশুদ্ধ?

(খ) অসমীয়া ভাষা লিখোঁতে ব্যৱহাৰ হোৱা এবিধ যতিচিহ্নৰ নাম লিখা।

(গ) 'নিবিদা' শব্দৰ অৰ্থ কি?

(ঘ) ইণ্টাৰনেটত উপলব্ধ প্ৰথমখন অসমীয়া অভিধানৰ নাম কি?

(ঙ) ভাৰতবৰ্ষৰ কোনটো ভাষা সৰ্বপ্ৰথমে ধ্ৰুপদী ভাষা হিচাপে স্বীকৃত হৈছে?

(চ) বিজ্ঞাপনৰ কাৰ্য কি?

(ছ) কম্পিউটাৰত অসমীয়া ভাষা লিখিবলৈ ব্যৱহাৰ হোৱা এটা ফণ্ট (Font)-ৰ নাম লিখা।

(জ) অসমীয়া মুদ্ৰণ ছফ্‌টৱেৰ এটাৰ নাম লিখা।

(ঝ) কথনৰ মূল উপাদান কি?

(ঞ) টুইটাৰত মন্তব্য প্ৰদানৰ বাবে এবাৰত সৰ্বোচ্চ কিমানটা আখৰ লিখিব পাৰি?

(ট) অসমীয়া ভাষাত কোনটো স্বৰধ্বনিৰ বাবে স্বৰ চিন নাই?

(ঠ) হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা অভিধান এখনৰ নাম লিখা।

(ড) ভাৰতবৰ্ষত সংবিধান-স্বীকৃত ভাষাৰ সংখ্যা কিমান?

(ঢ) ভাৰতবৰ্ষত ইণ্টাৰনেট সেৱাৰ আৰম্ভণি কেতিয়া হৈছিল?

(ণ) WWW-ৰ সম্পূৰ্ণ ৰূপটো কি?

(ত) ভাববোধক চিন (!)-ৰ ব্যৱহাৰ দেখুৱাই এটি বাক্য লিখা।

(থ) চিঠি-পত্ৰ লিখোঁতে ইংৰাজী আৰ্হিৰ 'TO'-ৰ ঠাইত অসমীয়াত কি শব্দ ব্যৱহাৰ কৰা হয়?

(দ) কোন চনত Facebook-ৰ প্ৰচলন হৈছিল?

২। চমু উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) যতিচিহ্ন ব্যৱহাৰ কৰি বাক্যটো নতুনকৈ লিখা :
ৰাষ্ট্ৰীয় অভয়াৰণ্য কাজিৰঙা মই তিলক আৰু নীলাভ তালৈ ফুৰিবলৈ যোৱাৰ বাবে প্ৰ'গ্ৰেম কৰিছোঁ

(খ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে?

(গ) ইউনিক'ড কি? ইয়াৰ মুখ্য কাৰ্যালয়টো ক'ত অৱস্থিত?





(ঘ) বৰ্তমান সময়ত জনপ্ৰিয় দুবিধ সামাজিক মাধ্যমৰ নাম লিখা।

(ঙ) বিজ্ঞাপনৰ দুটা প্ৰকাৰৰ নাম লিখা।

(চ) আবেদন লেখনৰ যি কোনো দুটা স্তৰৰ নাম লিখা।

(ছ) ভাষা আহৰণৰ কৌশল (Skill) চাৰিটা কি কি?

(জ) চন্দ্ৰবিন্দু (ঁ)-ৰ উচ্চাৰণ কেনে ধ্বনিৰ লগত হয়? চন্দ্ৰবিন্দু ব্যৱহাৰ হোৱা দুটা শব্দ লিখা।

(ঝ) নিবিদা লেখন আৰু বিজ্ঞাপনৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(ঞ) অসমৰ দুটা চৰকাৰী ভাষা (Official Language)-ৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাষিক যোগাযোগ

(খ) ইউনিক'ডত অসমীয়া ভাষাৰ ব্যৱহাৰ

(গ) ভাষা আৰু প্ৰযুক্তি

(ঘ) কথনৰ সাৱলীলতা আৰু যতি

(ঙ) বিজ্ঞাপনৰ অসমীয়া ভাষা

(চ) আবেদন লেখন

(ছ) বৈদ্যুতিন মাধ্যম

(জ) ফেচবুক (Facebook)

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সামাজিক মাধ্যমৰ অসমীয়া ভাষা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) যতিচিহ্ন বুলিলে কি বুজা? অসমীয়া ভাষাত ব্যৱহৃত যতিচিহ্নসমূহৰ বিষয়ে এটি নিদৰ্শনমূলক আলচ যুগুত কৰা।

(গ) কম্পিউটাৰত অসমীয়া ভাষাৰ মুদ্ৰণৰ ইতিহাস সম্পৰ্কে লিখা।

(ঘ) কথন-দক্ষতাৰ ক্ষেত্ৰত ভাষাজ্ঞানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(ঙ) উচ্চাৰণৰ অস্পষ্টতা বা জ্ঞানৰ অভাৱে যোগাযোগ প্ৰক্ৰিয়া কিদৰে ব্যাহত কৰে, আলোচনা কৰা।

(চ) তোমাৰ শিক্ষানুষ্ঠানৰ এটা বিল্ডিং নিৰ্মাণৰ বাবে আহ্বান কৰা নিবিদা এখন কেনেদৰে প্ৰস্তুত কৰিবা, দেখুওৱা।

(ছ) বিজ্ঞাপন মানে কি? বিজ্ঞাপনৰ ভূমিকা সম্পৰ্কে এখন ৰচনা লিখা।

(জ) কম্পিউটাৰৰ পৰিচয় দাঙি ধৰাৰ লগতে কম্পিউটাৰৰ শ্ৰেণীবিভাজন আৰু প্ৰয়োগ-ক্ষেত্ৰসমূহৰ বিষয়ে লিখা।

★★★